# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

--------------------

১।	উদ্যমিতা অভিযানৰ দ্বাৰা মহিলাসকলৰ সৱলীকৰণৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় হ'ব বুলি নগাঁৱত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২।	শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আজি জাগীৰোডত তিৱা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আনুষ্ঠানিকভাৱে শুভাৰম্ভ।

৩।	অসমত যক্ষ্মা ৰোগ নিৰ্মূলকৰণ কাৰ্যসূচীত ৯০ শতাংশ সফলতা লাভ কৰা হৈছে বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ প্ৰকাশ।

৪।	বৰপেটা জিলা ছেছন ন্যায়াধীশৰ আদালতৰ ঋষভ দাস নামৰ এজন দোষীক হত্যাৰ গোচৰত মৃত্যুদণ্ডৰ ৰায়।

***আৰু***

৫।	আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অষ্ট্ৰেলিয়াক জয়ৰ বাবে ইংলেণ্ডৰ ২৪৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ ।

oooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ২৫ হাজাৰৰো অধিক মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ ১৯ হাজাৰ ৬২৮ গৰাকী আৰু নগৰাঞ্চলৰ ৬ হাজাৰ ৯৫৭ গৰাকী মহিলা আছে। এই উপলক্ষে নগাঁও চহৰৰ নেহৰুবালিত এখন জনসভাত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰথম পৰ্যায়ত প্ৰদান কৰা এই মূলধনে ৰাজ্যখনত মহিলা নেতৃত্বাধীন বিকাশৰ পথ প্ৰশস্ত কৰিব।

**বাইট (চি এম)**

এই অভিযানৰ জৰিয়তে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে প্ৰমুখ্য কৰি বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি সুদৃঢ় হ'ব বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে। তেওঁ বীৰাংগনা মূলাগাভৰু আৰু ছহিদ কনকলতাৰ দেশপ্ৰেমে প্ৰত্যেককে অনুপ্ৰাণিত কৰাৰ দৰে অসমৰ আত্মনিৰ্ভৰশীল অৰ্থনীতিৰ ক্ষেত্ৰত বৰ্তমানৰ নাৰী শক্তিও শক্তিশালী উদাহৰণ হ'ব পাৰে বুলি উল্লেখ কৰে। আজিৰ অনুষ্ঠানত ২৭ হাজাৰৰো অধিক লোকে সমস্বৰে ডঃ ভূপেন হাজৰিকাৰ **মানুহে মানুহৰ বাবে** শীৰ্ষক গীতটি পৰিৱেশন কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি জিলাখনত ২৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পও উদ্বোধন কৰে। তেওঁ নগাঁও আৰৰ্তভৱন চাৰিআলিৰ পৰা পানীগাঁও চাৰিআলিলৈ ৫ কোটি ২০ লাখ টকা ব্যয়েৰে নিৰ্মিত গৌৰৱ পথছোৱা মুকলি কৰে। ইয়াৰ পাছত তেওঁ ৮ কোটি ৭৩ লাখৰো অধিক ধন ব্যয় সাপেক্ষ কেইবামহলীয়া নতুন বজাৰগৃহ উদ্বোধন কৰে। সকলো ধৰণৰ সুবিধাযুক্ত এই চাৰিমহলীয়া বজাৰগৃহই গ্ৰাহকক পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশত বজাৰ কৰাৰ

অভিজ্ঞতা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে আজি নগাঁৱৰ মহাত্মা গান্ধী পথত ৭ কোটি ১৩ লাখৰো অধিক টকা ব্যয়সাপেক্ষ নিৰ্মাণ কৰা অত্যাধুনিক ছুইমিং পুল উদ্বোধন কৰে। তেওঁ লগতে জিলাখনৰ মতিৰাম বৰা পথত নৱনিৰ্মিত স্বাস্থ্য সেৱাৰ যুটিয়া সঞ্চালকৰ নতুন কাৰ্যালয় ভৱনো মুকলি কৰে।

মুখ্যমন্ত্ৰী শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সমাগত অসম বিধানসভাৰ অধিৱেশনত ভালেমান গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ কয়, যে সত্ৰৰ সংৰক্ষণ, বহুবিবাহৰ বিৰুদ্ধে আইন, চাহ বাগিচাৰ শ্ৰমিকক ভূমিপট্টা প্ৰদান আদিকে ধৰি বহু গুৰুত্বপূৰ্ণ বিষয় সমাগত বিধানসভাৰ অধিৱেশনত আলোচনা কৰা হ'ব।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ ডাবৰঘাট প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাক শিক্ষাৰ মাধ্যম হিচাপে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। তেওঁ লগতে তিৱা ভাষাৰ পাঠ্যপুথিসমূহো উন্মোচন কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ৰ অধীনত প্ৰাথমিক বিদ্যালয়সমূহত বিভিন্ন ভাষাত শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অনুসৰি প্ৰাৰম্ভিক পৰ্যায়ত ৰাজ্যৰ ৬২ খন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাৰ শিক্ষা আৰম্ভ হ'ব। কিছু সংখ্যক বিদ্যালয়ত ইতিমধ্যে তিৱা ভাষাৰ শিক্ষক নিযুক্তি দিয়া হৈছে। বাকী থকা বিদ্যালয়সমূহতো পৰ্যায়ক্ৰমে ভাষা শিক্ষক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই উদ্যোগে অসমৰ জনজাতীয় অঞ্চলসমূহত মাতৃভাষাৰ মাধ্যমত প্ৰাথমিক শিক্ষাৰ এটা যুগৰ সূচনা কৰিছে বুলি ডাঃ পেগুৱে উল্লে কৰে।

**বাইট (ডাঃ ৰণোজ পেগু)**

আজিৰ অনুষ্ঠানত জাগীৰোডৰ বিধায়ক তথা মন্ত্ৰী পীযূষ হাজৰিকা, তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন কোঁৱৰৰ লগতে তিৱা সাহিত্য সভা তথা তিৱা সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অহা বছৰৰ ফেব্ৰুবাৰী-মাৰ্চত হ'বলগা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলৰ বাবে আজি অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২০ নৱেম্বৰত এই অনলাইন প্ৰক্ৰিয়াৰ অন্ত পৰিব। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ বাবে অফলাইন প্ৰ-পত্ৰ পূৰণৰ ব্যৱস্থা নাথাকিব বুলি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে এটা নিৰ্দেশযোগে জানিবলৈ দিছে। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে প্ৰতিখন শিক্ষানুষ্ঠানৰ মুৰব্বীক নিৰ্দেশ দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ বাবে নিৰ্ধাৰিত মাচুল আদায় দিব লাগিব যদিও পিতৃ-মাতৃৰ বছৰেকীয়া উপাৰ্জন ২ লাখ টকা বা তাতোকৈ কম আয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষাৰ মাচুল চৰকাৰী নীতি অনুসৰি ৰেহাই দিয়া হ'ব।

০০০০

যক্ষ্মা মুক্ত ভাৰত নিৰ্মাণৰ লক্ষ্যৰে ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই নিক্ষয় মিত্ৰ কাৰ্যসূচীৰ অধীনত ৰাজভৱনত আয়োজিত এটি বিশেষ অনুষ্ঠানত কামৰূপ মহানগৰ আৰু নগাওঁ জিলাৰ এশগৰাকী যক্ষ্মা ৰোগীৰ চিকিৎসাৰ দায়িত্ব গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত ৫ গৰাকী যক্ষ্মা ৰোগীলৈ খাদ্য সামগ্ৰী বিতৰণ কৰি ৰাজ্যপালগৰাকীয়ে পূৰ্বে এই কথা ঘোষণা কৰিছিল। আজি শ্ৰীআচাৰ্যই স্বাস্থ্য সেৱাৰ উন্নীতকৰণৰ ক্ষেত্ৰত সামূহিক অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰি কয় যে দেশৰ জনস্বাস্থ্যৰ ক্ষেত্ৰত যক্ষ্মা এতিয়াও বৃহৎ প্ৰত্যাহ্বান হৈ আছে। সমন্বিত প্ৰচেষ্টা, সহানুভুতি আৰু বহনক্ষম সামুহিক অংশীদাৰিত্বৰে এই সমস্যাৰ সমাধান কৰি দেশক যক্ষ্মামুক্ত কৰিব পাৰি বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে এশগৰাকী যক্ষ্মা ৰোগীৰ চিকিৎসাৰ দায়িত্ব গ্ৰহণ কৰাটোৱে ব্যক্তিগত দায়িত্ব আৰু

প্ৰতিশ্ৰুতিবদ্ধতাৰ লগতে যক্ষ্মা নিৰ্মুলকৰণৰ ক্ষেত্ৰত চিকিৎসা সেৱাৰ সমানে সামাজিক আৰু আৱেগিক সহযোগ কিমান গুৰুত্বপূৰ্ণ সেই কথাকো প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যক্ষ্মা নিৰ্মুলকৰণক গণ আন্দোলন লেখিয়া বুলিও তেওঁ উল্লেখ কৰে। অসমে যক্ষ্মা ৰোগ নিৰ্মুলকৰণৰ ক্ষেত্ৰত ৯০ শতাংশ সফলতা লাভ কৰি দেশৰ ভিতৰতে উল্লেখনীয় স্থান অধিকাৰ কৰিছে বুলিও তেওঁ কয়। তেওঁ লগতে এশ দিনীয়া যক্ষ্মামুক্ত ভাৰত অভিযানৰ প্ৰশংসা কৰাৰ লগতে ৰাজভৱন আৰু ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উদ্যোগত চলি থকা সজাগতা কাৰ্যসূচীসমূহৰ  বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে ২০২২ চনৰ ৯ চেপ্তেম্বৰত নিক্ষয় মিত্ৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰে পৰা অসমে ২১ হাজাৰ ছুশগৰাকী নিক্ষয় মিত্ৰ পঞ্জীয়ন কৰিছে। এই লোকসকলে যক্ষ্মা ৰোগীসকলক সৰ্বাত্মক সেৱা আগবঢ়োৱাৰ উপৰি তেওঁলোকৰ সামাজিক অংশগ্ৰহণ আৰু আৱেগিক নিৰাপত্তা সুনিশ্চিত কৰিছে বুলিও ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০

বৰপেটা জিলা চেচন ন্যায়াধীশৰ আদালতে আজি হত্যাৰ গোচৰত দোষী সাব্যস্ত হোৱা ঋষভ দাস নামৰ এজন লোকক  মৃত্যুদণ্ডৰে দণ্ডিত কৰে। বৰপেটা চহৰৰ গান্ধী নগৰৰ নিৱাসী ঋষভ দাসৰ বিৰুদ্ধে ২০২৩ বৰ্ষৰ ১৩ অক্টোবৰত পত্নী আৰু কন্যাক হত্যাৰ গোচৰ ৰুজু কৰা হৈছিল। আৰক্ষীয়ে ২০২৪ বৰ্ষৰ আৰম্ভণিতে এই গোচৰৰ অভিযোগনামা দাখিল কৰে। বাদি-বিবাদি পক্ষৰ সাক্ষ্য গ্ৰহণৰ পাছত আদালতে যোৱা ১৬ অক্টোবৰত ঋষভ দাসক দোষী সাব্যস্ত কৰে যদিও শাস্তি ঘোষণা সংৰক্ষিত কৰি ৰাখিছিল। আজি চেচন ন্যায়াধীশ দীপক ঠাকুৰীয়াৰ বিচাৰপীঠে দোষীক মৃত্যুদণ্ডৰে দণ্ডিত কৰে। উল্লেখযোগ্য যে বৰপেটা জিলা গঠনৰ পিছত এইটোৱেই হৈছে মৃত্যুদণ্ড ঘোষণা কৰা প্ৰথমটো ৰায়। এই সন্দৰ্ভত অধিবক্তা খিতাপ ভূষণ দাসে এইদৰে কয়।

বাইট

০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গক ন্যায়ালয়ৰ জৰিয়তে ন্যায় প্ৰদান কৰাৰ বাবে বিজেপিয়ে ৰাজ্যজুৰি ন্যায় যাত্ৰা আৰম্ভ কৰিছে। ইয়াৰ অংশ হিচাপে শাসকীয় দলটোৱে আজি নলবাৰীৰ ছহিদ মুকুন্দ কাকতি খেলপথাৰৰ পৰা গৰ্ডন খেলপথাৰলৈ সমদল উলিয়ায়। এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু জয়ন্ত মল্লবৰুৱা অংশগ্ৰহণ কৰে। ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ ন্যায়িক তদন্ত ক্ষীপ্ৰ কৰাৰ লগতে কোনো দোষীয়ে যাতে সাৰি যাব নোৱাৰে তাৰ বাবে শক্তিশালী অভিযোগনামা দাখিল কৰিবলৈ অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটক আহ্বান জনায়। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই ফাষ্টট্ৰেক আদালত গঠন কৰি ক্ষীপ্ৰতাৰে তদন্ত চলাই দোষীক উপযুক্ত শাস্তি বিহি জুবিন গাৰ্গক ন্যায় দিবলৈ ন্যায়ালয়ক আহ্বান জনায়। উল্লেখযোগ্য যে দলটোৱে ৩০ অক্টোবৰলৈকে প্ৰতিখন জিলাৰ সদৰতে এই ন্যায় যাত্ৰা উলিয়াব।

০০০০

অসম চৰকাৰে ৰাজ্যৰ ২২৬ টা সমষ্টিক সামৰি ৰূপায়ণ কৰা  শুশ্ৰুষা সেতু শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত আজিও  বিভিন্ন জিলাত শিবিৰ মুকলি কৰা হয়। ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ৰামেশ্বৰ তেলীয়ে আজি তিনিচুকীয়া  জিলাৰ নৱ জাগৃতি উচ্চ ইংৰাজী বিদ্যালয়ত এই স্বাস্থ্য শিবিৰ মুকলি কৰে। এই শিবিৰত শিশুৰ পৰা ১৮ বছৰ বয়সৰ কিশোৰ-কিশোৰীৰ ৫০ টাতকৈ অধিক ৰোগৰ পৰীক্ষা কৰা হয়। পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি শিশুসকলক উন্নত চিকিৎসাৰ বাবে সমীপৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হ'ব। আজিৰ শিবিৰত দুহেজাৰ ছশৰো অধিক শিশুৱে অংশগ্ৰহণ কৰে। ইয়াৰে ৩০০ গৰাকী ৰোগীক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়, গুৱাহাটী

আৰু তিনিচুকীয়াৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। শিবিৰত শিশু ৰোগ, হৃদৰোগ, প্ৰসুতি আৰু স্ত্ৰীৰোগকে ধৰি ২০ গৰাকী বিশেষজ্ঞ চিকিৎসকে চিকিৎসা আগবঢ়ায়।

বিধায়ক জলেন দৈমাৰীয়ে তামুলপুৰ জিলাত সমষ্টিভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ উদ্বোধন কৰে। এই শিবিৰত বিশেষ ৰোগ ধৰা পৰা ১৮ বছৰৰ তলৰ শিশু, কিশোৰ কিশোৰীক চৰকাৰী খৰছত চিকিৎসাৰ ব্যৱস্থা কৰা হৈছিল।

ইপিনে, ধেমাজী বিধানসভা সমষ্টিত অহা ২৪ অক্টোবৰত শুশ্ৰুষা সেতু কাৰ্যসূচীৰ অধীনত বৃহৎ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন  কৰা হৈছে। ধেমাজী জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জগত মোহনে এই সন্দৰ্ভত অনুষ্ঠিত এখন সংবাদমেলৰ জৰিয়তে স্বাস্থ্য শিবিৰৰ প্ৰস্তুতি সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। বাটঘৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হ'বলগীয়া এই স্বাস্থ্য শিবিৰত ১৮ বছৰ বয়সৰ তলৰ কিশোৰ-কিশোৰীক বিশেষ গুৰুত্ব প্ৰদান কৰাৰ লগতে বিশেষজ্ঞ চিকিৎসকে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত শেহতীয়াকৈ ধান কটাক লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতি সম্প্ৰতি শাম কাটিছে। আজি পাহাৰীয়া জিলাখনৰ খান্দুলিস্থিত সীমান্ত পহৰা চকীত তাপাত আৰু লাপাংআপ গাঁৱৰ গাঁওবুঢ়াৰ মাজত কেইবাটাও বিষয়ত চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি যোৱা ৯ অক্টোবৰত ধান কটাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘৰ্ষত প্ৰাণ হেৰুওৱা অৰিয়েল টিমুঙৰ হত্যাকাৰীৰ সন্ধান উলিয়াই অসম আৰক্ষীক চমজাই দিব লাগিব। তদুপৰি তাপাত আৰু লাপাংআপৰ লোকসকলে সীমা বিষয়ক কোনোধৰণৰ আলোচনা কৰিব নোৱাৰিব, এই ক্ষেত্ৰত সংশ্লিষ্ট চৰকাৰী বিভাগেহে সিদ্ধান্ত গ্ৰহণ কৰিব। সীমান্ত অঞ্চলত শান্তি স্থাপনৰ বাবে সমূহীয়া গছপুলি ৰোপণ, পশুধনৰ মুক্ত বিচৰণৰ ক্ষেত্ৰতো সিদ্ধান্ত লোৱা হয়। একেদৰে তাপাত গাঁৱত আজিৰে পৰা শস্য চপোৱাৰ কাৰ্য সমাপন কৰা হ'ব বুলি চুক্তিত উল্লেখ কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰে ঘোষণা কৰা গ্ৰন্থবৰ্ষৰ সৈতে সংগতি ৰাখি বঙাইগাওঁ জিলাত আজিৰে পৰা ৮ দিনীয়া কাৰ্যসূচীৰে ২০২৫-২৬ বৰ্ষৰ প্ৰথমখন অসম গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সন্থাৰ উদ্যোগত গান্ধী মৈদামত গ্ৰন্থমেলাৰ আয়োজন কৰা হয়। নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য, বিশিষ্ট গ্ৰন্থকাৰ সাংবাদিক ড° সমুদ্ৰ গুপ্ত কাশ্যপে উদ্বোধনী অনুষ্ঠানত অংশ গ্ৰহণ কৰে। তেওঁ উদ্বোধনী ভাষণত অভিভাৱকসকলক তেওঁলোকৰ সন্তানৰ মনত কিতাপৰ প্ৰতি আকৰ্ষণ জগাই তুলিবলৈ আহ্বান জনায়।

গ্ৰন্থমেলাৰ প্ৰথম দিনটোত জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

০০০০

অসমত টেলিভিছন সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত বাটকটীয়া হৈছে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ১৯৮৫ চনত অসমত প্ৰথম টেলিভিছন বাতৰি সেৱা আৰম্ভ কৰাৰ সময়ৰ কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক লগ পাব অহা ২৫ অক্টোবৰৰ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। টেলিভিছনত বাতৰি প্ৰচাৰৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সম্পৰ্কত বহু কথা এই অনুষ্ঠানত উন্মোচিত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫-ৰ পুৰস্কাৰসমূহ অহা ৩১ অক্টোবৰৰ বিয়লি ২ বজাত আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত প্ৰদান

কৰা হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক তেওঁলোকৰ অভিভাৱকসহ এই বঁটা প্ৰদান অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণী পত্ৰ ইতিমধ্যে ৱাটছএপযোগে প্ৰেৰণ কৰা হৈছে। বিজয়ী প্ৰতিযোগীক একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট প্ৰদান কৰা হ'ব।

০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি হলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়া ইংলেণ্ডৰ  বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ইংলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অষ্ট্ৰেলিয়াক জয়ৰ বাবে ২৪৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ টেমছিন বিউমণ্টে সৰ্বাধিক ৭৮ আৰু এলিছ কেপছিয়ে ৩৮ ৰান কৰে। অষ্ট্ৰেলিয়াৰ এনাবেল ছুথাৰলেণ্ডে ৩টা উইকেট দখল কৰাৰ বিপৰীতে ছফী মলিনাক্স আৰু এছলে গাৰ্ডনাৰে দুটাকৈ উইকেট লাভ কৰে।

০০০০

যোৰহাট মালৌআলিৰ নিবাসী তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা ইংৰাজী বিভাগৰ অধ্যাপিকা দিতিমণি বৰাৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৬ বছৰ।

০০০০০০০

পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত গোলাঘাট সমন্বয় ক্ষেত্ৰত আজিৰে পৰা গ্ৰন্থমেলা আৰু সাহিত্য সমাৰোহৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে এই সমাৰোহ উদ্বোধন কৰে। বিত্তমন্ত্ৰী অজন্তা নেওগে বন্তি প্ৰজ্বলন কৰাৰ লগতে কৃষিমন্ত্ৰী অতুল বৰাই জুবিন গাৰ্গ সোঁৱৰণী মূল মঞ্চ কৰে। শ্ৰীবৰাই গ্ৰন্থৰ প্ৰতি নৱপ্ৰজন্মৰ ধাউতি বৃদ্ধি পাইছে আৰু এয়া ইতিবাচক বাৰ্তা বুলি উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৬০ খনতকৈও অধিক গ্ৰন্থ বিপণীয়ে এই গ্ৰন্থমেলাত অংশ লৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত গোলাঘাট জিলাৰ বহুকেইখন বিদ্যালয়ৰ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে জুবিন গাৰ্গৰ **মায়াবিনী** শীৰ্ষক গীতটি পৰিৱেশন কৰাৰ লগতে সাহিত্য সভাৰ আৰম্ভণি গীত **চিৰ চেনেহী মোৰ ভাষা জননী** পৰিৱেশন কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ